পৰিৱেশ সজাগতা অভিযান

# স্বচ্ছ আৰু আৱৰ্জনামুক্ত পৰিৱেশ গঢ়োঁ আহক



## অসম প্ৰদূষণ নিয়ন্ত্ৰণ পৰিষদ

বামুণীমৈদাম, গুৱাহাটী- ২১

# বৰ্ধিত আৱৰ্জনা

গোটা আৱৰ্জনাৰ সুব্যৱস্থাপনা বিশ্বৰ দেশসমূহৰ বাবে ডাঙৰ প্ৰত্যাহ্বান হৈ পৰিছে - বিশেষকৈ নগৰ-মহানগৰসমূহত। বৰ্দ্ধিত আৱৰ্জনা, পৰিৱেশৰ প্ৰতি উদাসীনতা, য'তে-ত'তে জাৱৰ-জোঁথৰ পেলোৱা কুঅভ্যাস আৰু আৱৰ্জনা নিষ্পত্তি ব্যৱস্থাটোৰ আসোঁৱা বাবে ৰাস্তাৰ দাঁতি, নলা-নৰ্দমা বা মুকলি ঠাই আদিত দ'ম-দ'ম হৈ পৰি ৰোৱা আৱৰ্জনা বা ইয়াক অসুৰক্ষিত লেণ্ডফিল ক্ষেত্ৰত পেলোৱা বা মুকলিকৈ জ্বলাই দিয়াৰ ফলত সৃষ্টি হোৱা সমস্যাবোৰ ক্ৰমাৎ বাঢ়ি আহিছে। জনমূৰি উপাৰ্জন বৃদ্ধিৰ লগে লগে আৱৰ্জনাৰ পৰিমাণ বাঢ়ি অহাৰ লগতে ইয়াৰ গঠনো সলনি হৈ আহিছে। ইয়াত ঘৰুৱাভাৱে উৎপন্ন বিপদজনক পদাৰ্থ আৰু আন ধাতৱ পদাৰ্থৰ পৰিমাণ ক্ৰমাৎ বাঢ়ি গৈ আছে, যিবোৰ পৰিৱেশৰ বাবে অত্যন্ত বিপজ্জনক।

ভাৰতত প্ৰতি বছৰে প্ৰায় ৬২ নিযুত টন আৱৰ্জনা উৎপন্ন হয়। এই পৰিমাণ২০৩০ চনত ১৬৫ নিযুত টন আৰু ২০৫০ চনত ৪৩৬ নিযুত টন হ'ব বুলি ধাৰণা কৰা হৈছে।

বৰ্তমান আমাৰ দেশৰ নগৰীয়া অঞ্চলৰ প্ৰতিজন মানুহে গড়ে ২০০ - ৬০০ গ্ৰাম গোটা আৱৰ্জনা উৎপন্ন কৰে। এই পৰিমাণ ২০২৫ চনত ৭০০ গ্ৰাম হ'বগৈ।

আমাৰ দেশৰ নগৰীয়া আৱৰ্জনাৰ বছৰেকীয়া বৃদ্ধিৰ হাৰ ১.৩০ শতাংশ।

ভাৰতত উৎপন্ন মুঠ নগৰীয়া গোটা আৱৰ্জনাৰ ৭৫-৮০ শতাংশ সংগ্ৰহ কৰা হয় যদিও ইয়াৰে মাত্ৰ ২২ - ২৮ শতাংশহে উপযুক্তভাৱে নিষ্পত্তি কৰা হয়।

প্ৰতি বছৰে বিশ্বত প্ৰায় ৭০০০ৰ পৰা ১০০০০ নিযুত টন আৱৰ্জনা উৎপন্ন হয়, আৰু ইয়াৰে ২০০০ নিযুত টন নগৰীয়া গোটা আৱৰ্জনা।


গুৱাহাটী মহানগৰত দৈনিক প্ৰায় ৪৫০ মেট্ৰিক টন গোটা আৱৰ্জনা উৎপন্ন হয়।

বিশ্বজোৰা প্ৰায় ৩০০০ নিযুত লোক আৱৰ্জনা নিষ্পত্তি সুব্যৱস্থাপনা সেৱাৰ পৰা বঞ্চিত হৈ আছে।


প্ৰতি বছৰে প্ৰায় ২০ নিযুত টন আৱৰ্জনা সমুদ্ৰত জমা হয়।

## আৱৰ্জনা উৎপত্তিৰ গতিধাৰা




ভাৰতৰ নগৰত উৎপন্ন গোটা আৱৰ্জনাৰ গড় গঠন




আৱৰ্জনা উৎপন্নত বিভিন্ন শ্ৰেণীৰ দেশৰ অৱিহণা

# নগৰীয়া গোটা আৱৰ্জনাৰ সুব্যৱস্থাপনাৰ অভাৱত হ'ব পৰা ক্ষতি

## মুকলিকৈ পেলোৱা আৱৰ্জনাৰ জনস্বাস্থ্যৰ ওপৰত প্ৰভাৱ

- য'তে-ত'তে পেলোৱা আৱৰ্জনাৰ দ'মবোৰ বিভিন্ন ৰোগৰ বীজানুৰ উৎপত্তিৰ স্থল।
- আৱৰ্জনাৰ দ'মবোৰ বিভিন্ন ৰোগৰ বীজাণুৰবাহক মাখি, পোক-পতংগ, পইতাচোঁৰা, এন্দুৰ- নিগনি আদিৰ আবাসস্থলী।
- এই বীজাণুবোৰে মানুহৰ ডয়েৰিয়া, জণ্ডিছ,গেষ্ট্ৰিক, এনকেফেলাইটিছ, প্লেগ, পীত জ্বৰ, ডেংগি ৰোগৰ বিস্তাৰ ঘটাত সহায় কৰে।

## মুকলিকৈ পেলোৱা আৰু জ্বলাই দিয়া আৱৰ্জনাৰ পৰিৱেশৰ ওপৰত প্ৰভাৱ







- মাটি প্ৰদূষণ ঘটোৱাৰ লগতে পৃষ্ঠজল, ভূজল আৰু সাগৰ প্ৰদূষিত কৰিব পাৰে।
- স্থানীয় বায়ু প্ৰদূষিত কৰাৰ উপৰিও জলবায়ু পৰিৱৰ্তনত অৰিহণা যোগায়।
- নলা-নৰ্দমাত পৰি থকা আৱৰ্জনাই এইবোৰৰ পানী কঢ়িওৱা ক্ষমতা হ্ৰাস কৰি কৃত্ৰিম বানপানী হোৱাত সহায় কৰে।

## সামাজিক আৰু অৰ্থনৈতিক প্ৰভাৱ

- য'তে-ত'তে পেলোৱা আৱৰ্জনাৰ দ'মবোৰে ভূমিদৃশ্যৰ সৌন্দৰ্য্য বিনাশ কৰে।
- স্বাস্থ্য সেৱা খৰছ বৃদ্ধি কৰে।
- ইয়ে পৰ্য্যটন বিকাশত বিৰূপ প্ৰভাৱ পেলায়।
- ভূমিৰ উৎপাদন হ্ৰাস কৰে।

# আমি কি কি কৰা উচিত

- ঘৰৰ বাবে সংগ্ৰহ কৰা বস্তুবোৰ ভালদৰে ব্যৱহাৰ কৰি আৱৰ্জনাৰ পৰিমাণ হ্ৰাস কৰিব লাগে।
- ৰাস্তাৰ দাঁতিত, নলা-নৰ্দমাৰ কাষত বা আন মুকলি ঠাইত আৱৰ্জনা পেলাব নালাগে আৰু সুবিধা পালে আনকো এই বিষয়ে ক'ব লাগে।




আৱৰ্জনা উৎসতে পৃথকীকৰণৰ আৰ্হি প্ৰণালী

- বিভিন্ন শ্ৰেণীৰ আৱৰ্জনা - (১) শাক-পাচলি, শস্য, খাদ্যৰ অৱশিষ্ট আদি, (২) প্লাষ্টিক, কাগজ, ভঙা কাচ, আন ধাতু আদি, (৩) আৰু পুৰণা বেটাৰী, বৈ যোৱা ঔষধ, পুৰণা বা ভঙা-চিঙা বৈদ্যোতীন সামগ্ৰী, ভঙা বাল্ব-টিউব্ আৰু আন বৈদ্যুতিক সামগ্ৰী আদি পৃথকে জমা কৰি ৰাখি নিষ্পত্তিৰ ব্যৱস্থা কৰিব লাগে।

● পাকঘৰৰ পৰা ওলোৱা শাক-পাচলি, ফল-মূল, মাছ-মাংস আদি খোৱাবস্তুবোৰৰ পেলনীয়া অংশ, খাদ্যবস্তুৰ বৈ যোৱা অংশ বা বাগিছা আদি চাফ-চিকুন কৰোঁতে ওলোৱা জৈৱিক আৱৰ্জনাবোৰ ঘৰৰ পিছফালে সুবিধাজনক ঠাইত গাত খান্দি পুতি থৈ এইবোৰৰ সুনিষ্পত্তিৰ লগতে ইয়াৰ পৰা পচন সাৰ প্ৰস্তুত কৰিব পাৰি।



জৈৱিক আৱৰ্জনাৰ পৰা পচন সাৰ

ঘৰৰ চৌহদত গাত খন্দাৰ সুবিধা নাথাকিলে বজাৰত সহজলভ্য আন কোনো প্ৰণালী ব্যৱহাৰ কৰি এই জৈৱিক আৱৰ্জনাবোৰৰ পৰা পচন সাৰ প্ৰস্তুত কৰিব পাৰি।

● পুনৰ ব্যৱহাৰযোগ্য আৱৰ্জনাবোৰ পুনৰ ব্যৱহাৰ কৰি ইয়াৰ পৰিমাণ হ্ৰাস কৰিব পাৰি।

● পুনৰাৱৰ্তন কৰিব পৰা আৱৰ্জনা, যেনে- প্লাষ্টিক, কাগজ, ভঙা কাচ, আন ধাতু, বৈদ্যোতীন সামগ্ৰী আদি বেলেগে জমা কৰি ৰাখি সময়ে সময়ে বিক্ৰি কৰি দুটকা উপাৰ্জন কৰিব পৰাৰ লগতে ই সমগ্ৰ আৱৰ্জনা নিষ্পত্তি ব্যৱস্থাটোক সৰল কৰি তুলিব পাৰে।

● নিৰ্মাণ কাৰ্য্যৰ পৰা ওলোৱা ভঙা-ইটা, শিল-বালি আদি আৱৰ্জনাবোৰ য'তে-ত'তে পেলাই নিদি আচুতীয়াকৈ জমা কৰি ৰাখিলে সময়ত বাট-পথ আদি মেৰামতি কামত ব্যৱহাৰ কৰিব পাৰি।

● প্লাষ্টিকজাতী য় আৱৰ্জনা কেতিয়াও পুৰিব নালাগে। কিয়নো, ইয়াৰ ফলত নিৰ্গত ধোঁৱাই বায়ু প্ৰদূষণ ঘটোৱাৰ লগতে মানুহৰ স্বাস্থ্যৰো যথেষ্ট ক্ষতি কৰে।

● আৱৰ্জনাৰ সুব্যৱস্থাপনা সমগ্ৰ প্ৰক্ৰিয়াটো অধিক কাৰ্য্যক্ষম কৰি তুলিবলৈ মানুহৰ মনত দায়িত্ববোধৰ ভাব আৰু সজাগতা সৃষ্টি কৰাটো অত্যন্ত জৰুৰী।

## বিধিগত ব্যৱস্থা আৰু অনুষ্ঠানৰ ভূমিকা

আৱৰ্জনা সু ব্যৱস্থাপনা নিশ্চিত কৰিবলৈ উপযুক্ত বিধিগত ব্যৱস্থাৰ লগতে ইয়াক কঠোৰভাৱে বল বৎ কৰিবলৈ কাৰ্য্যক্ষম আনুষ্ঠানিক গাঁথনিৰ অতি প্ৰয়োজন।

● ভাৰত চৰকাৰৰ পৰিৱেশ, বন আৰু জলবায়ু পৰিৱৰ্তন মন্ত্ৰালয়ে যোৱা ০৮-০২-২০১৬ তাৰিখে গোটেই দেশতে প্ৰযোজ্য হোৱাকৈ আৰু প্ৰকাশ পোৱা দিনৰপৰাই কাৰ্য্যকৰী হোৱাকৈ 'নগৰীয়া গোটা আৱৰ্জনা (ব্যৱস্থাপনা আৰু নিষ্পত্তি) বিধি, ২০০০' (Municipal Solid Waste (Management and Handling) Rules, 2000)ৰ ঠাইত 'গোটা আৱৰ্জনা ব্যৱস্থাপনা বিধি, ২০১৬' (Solid Waste Management Rules, 2016) নামৰ নতুন বিধিখন প্ৰকাশ কৰে।

● এই বিধিত আৱৰ্জনা উৎপন্নকাৰী, ইয়াৰ সু ব্যৱস্থাপনাৰ লগত জড়িত বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ দায়িত্ব আৰু আৱৰ্জনা নিষ্পত্তিৰ বাবে লবলগা বিভিন্ন ব্যৱস্থাৰ উল্লেখ আছে।

*স্বচ্ছ আৰু আৱৰ্জনামুক্ত পৰিৱেশ গঢ়াৰ লক্ষ্যৰে জনসজাগতা আনিবৰ বাবে অসম প্ৰদূষণ নিয়ন্ত্ৰণ পৰিষদৰ হৈ সদস্য সচিব (ডাঃ প্ৰাঃ) বিশ্ব কুমাৰ বৰুৱাৰ দ্বাৰা প্ৰকাশিত আৰু প্ৰচাৰিত ।*

*সম্পাদনা ঃ কান্তেশ্বৰ কলিতা*